# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)ৰ ২০ নৱেম্বৰ ২০২০ চনত মছজিদ মোবাৰক,ইছলামাবাদ (বৃটেইন)ত প্ৰদান কৰা খোতবা জুমাৰ সাৰাংশ**

**আঁ-হজৰত (ছাঃ)ৰ উচ্চ মৰ্যাদা সম্পন্ন বদৰি চাহাবা কৰাম (ৰাঃ)ৰ পৱিত্ৰ গুণাৱলীৰ ঈমান বৰ্দ্ধক ঘটনাৰ চমু বিৱৰণী**

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাশ্বাহুদ তাউজ আৰু চুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আজি যিজন চাহাবীৰ বিষয়ে প্ৰথমে বৰ্ণনা কৰা হ'ব,তেখেতৰ নাম হ'ল হজৰত অউফ বিন হাৰিছ বিন ৰুফাআ আনছাৰী (ৰাঃ)। ৰিৱায়তত এখেত (ৰাঃ)ৰ নাম অউফ বিন আফৰা,অউফ বিন হাৰিছ আৰু অউয বিন আফৰা বুলি উল্লেখ আছে। আনছাৰৰ কবিলা বনু নজাৰৰ সৈতে এখেত (ৰাঃ)ৰ সম্পৰ্ক আছিল। হজৰত মাআজ (ৰাঃ)আৰু হজৰত মুৱাবিজ (ৰাঃ)হজৰত অউফ (ৰাঃ)ৰ ভাই আছিল। হজৰত অউফ (ৰাঃ)আনছাৰৰ সেই ছয়জন লোকৰ মাজত এজন আছিল; যিসকলে সৰ্বপ্ৰথমে মক্কাত আহি বয়াত কৰিছিল। এখেত (ৰাঃ)য়ে বয়াতে উকবাতও অংশ গ্ৰহণ কৰিছিল। যেতিয়া এখেতে ইছলাম গ্ৰহণ কৰিছিল তেতিয়া হজৰত আছাদ বিন জাৰাৰাহ (ৰাঃ)আৰু হজৰত আম্মাৰ বিন হুজাম (ৰাঃ)ৰ লগত মিলি বনু মালিক বিন নজাৰৰ পূজা প্ৰতীমাবিলাক ভাঙি পেলাইছিল। বদৰৰ যুদ্ধৰ দিনা যেতিয়া অবিৰাম যুদ্ধ চলি আছিল তেতিয়া হজৰত অউফ বিন হাৰিছ (ৰাঃ)য়ে ৰছুলুল্লাহ (ছাঃ)ক সুধিছিল-ইয়া ৰছুলুল্লাহ (ছাঃ) আল্লাহ তা'লা তাৰ বান্দাৰ কোনটো বিষয়ত বেছি আনন্দিত হয় ? তেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে উত্তৰ দিছিল যে এই বিষয়ে বেছি আনন্দিত হয় যে তাৰ (বান্দাৰ) হাত ৰণত লিপ্ত থাকে আৰু নিৰ্ভীক ভাৱে যুদ্ধ চলাই যায়। এয়া শুনি হজৰত অউফ বিন আফৰা (ৰাঃ) য়ে নিজৰ কৱচ সোলোকাই থৈ আগবাঢ়ি গৈ ৰণত জপিয়াই পৰিছিল আৰু অৱশেষত শ্বাহাদত বৰণ কৰিছিল হাদীছ আৰু জীৱনী মূলক কিতাপবোৰত বদৰৰ যুদ্ধত আবু জাহিলৰ ওপৰত আক্ৰমণ চলোৱা চাহাবা সকলৰ নামৰ তালিকাত হজৰত অউফ বিন আফৰা (ৰাঃ)ৰ নামও উল্লেখ আছে।

ইয়াৰ পিছৰজন চাহাবী যাৰ বিষয়ে বৰ্ণনা কৰিম তেখেতৰ নাম হ'ল হজৰত আবু আয়উব আনছাৰী (ৰাঃ)। আনছাৰৰ কবিলা খজৰজৰ এটা শাখা বনু নজাৰৰ সৈতে এখেতৰ সম্পৰ্ক আছিল। হজৰত আবু আয়উব আনছাৰী (ৰাঃ)য়ে বয়াতে উকবা (দ্বিতীয়ত) সত্তৰজন আনছাৰৰ লগতে বয়াত গ্ৰহণৰ সৌভাগ্য লভিছিল। হিজৰতৰ পিছত যেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে মদিনালৈ আহিছিল তেতিয়া তেখেত (ছাঃ)য়ে মছজিদে নৱৱী আৰু নিজৰ ঘৰ নিৰ্মাণ নোহোৱালৈকে এখেত (ৰাঃ)ৰ ঘৰত অৱস্থান কৰিছিল।

হজৰত মুচলেহ মওউদ (ৰাঃ)য়ে কৈছে-যেতিয়া আঁ-হজৰত (ছাঃ)য়ে মদিনাত প্ৰৱেশ কৰি আছিল তেতিয়া

মদিনাৰ প্ৰত্যেকেই আশা কৰিছিল যে আঁ-হজৰত (ছাঃ)য়ে তেওঁৰ ঘৰত থাকক। যিবোৰ পথেৰে আঁ-হজৰত (ছাঃ)ৰ উটনী পাৰ হৈ গৈছিল; সেই বাটৰ কাষৰ পৰিয়াল বিলাকে নিজৰ নিজৰ ঘৰৰ আগত থিয় হৈ ৰছুলুল্লাহ (ছাঃ)ক স্বাগত জনাইছিল আৰু কৈছিল ইয়া ৰছুলুল্লাহ (ছাঃ)এয়া আমাৰ ঘৰ আৰু এয়া আমাৰ ধনমাল আৰু এয়া আমাৰ প্ৰাণ,যিবোৰ আপোনাৰ সেৱা কৰিবলৈ প্ৰস্তুত আছে। ইয়া ৰছুলুল্লাহ (ছাঃ)আমি আপোনাৰ ৰক্ষণা-বেক্ষণ কৰিবলৈ সক্ষম; আপুনি আমাৰ ওচৰত অৱস্থান কৰক। কিছুমান লোকে ব্যাকুল হৈ আগুৱাই আহি তেখেত (ছাঃ)ৰ উটনীৰ লাগাম টানি ধৰিছিল যাতে তেখেত (ছাঃ)ক নিজৰ ঘৰত নমাই ল'ব পাৰে। কিন্তু তেখেত (ছাঃ)য়ে প্ৰত্যেক জনকেই কৈছিল যে, মোৰ উটনীক এৰি দিয়া; এইজনী আজি খোদা তা'লাৰ আজ্ঞাবহ; এইজনীয়ে তাতেই থিয় হ'ব। য'ত খোদা তা'লাৰ ইচ্ছা হ'ব। অৱশেষত উটনীয়ে মদিনাৰ একাষত বনু নজাৰৰ এতীম সকলৰ এডোখৰ জমিনৰ ওচৰত গৈ থিয় হৈছিল। আঁ-হজৰত (ছাঃ)য়ে সেই ঠাইতেই মছজিদ আৰু নিজৰ ঘৰ বনোৱাৰ সিদ্ধান্ত লৈছিল।ইয়াৰ পিছত তেখেত (ছাঃ)য়ে কৈছিল যে ইয়াতে সকলোতকৈ ওচৰত কাৰ ঘৰ আছে ? তেতিয়া হজৰত আবু আয়উব আনছাৰী (ৰাঃ)য়ে আগবাঢ়ি আহি কৈছিল- ইয়া ৰছুলুল্লাহ (ছাঃ)মোৰ ঘৰ আটাইতকৈ ওচৰত আছে আৰু আপোনাৰ সেৱালৈ প্ৰস্তুত আছে। তেখেত (ছাঃ)য়ে কৈছিল তেন্তে ঘৰলৈ যোৱা আৰু আমাৰ বাবে কোনো এটা কোঠালিৰ ব্যৱস্থা কৰা। হজৰত আবু আয়উব আনছাৰী (ৰাঃ)ৰ দুমহলীয়া ঘৰ আছিল। তেখেত (ৰাঃ)য়ে ৰছুলুল্লাহ (ছাঃ)ৰ নিমিত্তে ওপৰ মহলাটো ঠিক কৰিছিল কিন্তু নবী কৰীম (ছাঃ)য়ে ভাৱিছিল যে লোকৰ লগত দেখা সাক্ষাৎ কৰোঁতে অসুবিধা হ'ব,গতিকে তলৰ মহলাটো পছন্দ কৰিছিল। এই ঘটনাত আবু আয়উব আনছাৰী (ৰাঃ)ৰ ৰছুলুল্লাহ (ছাঃ)ৰ প্ৰতি থকা অফুৰন্ত ভাল পোৱাৰ জলক প্ৰকাশ পাইছিল যে ৰছুলুল্লাহ (ছাঃ)য়ে তলৰ মহলাতে থাকিব,কিন্তু গোটেই ৰাতি পতি-পত্নী দুয়ো এই চিন্তাত জাগি থাকিছিল যে ৰছুলুল্লাহ (ছাঃ)য়ে তলত শুই আছে। তেওঁলোকে কেনেকৈ বেআদবী কৰি ওপৰ মহলাত শুই পৰিব। এয়াই আছিল ৰছুল প্ৰেমৰ বহিঃপ্ৰকাশ। এদিন ৰাতি এটা পাত্ৰত থকা পানী কেনেবাকৈ পৰি গৈছিল তেতিয়া আয়উব আনছাৰী (ৰাঃ)য়ে ভাৱিছিল যে এই পানী তলত গৈ পৰিব পাৰে সেয়ে তেখেত তৎক্ষণাত নিজৰ গাৰ চাদৰ পানীৰ ওপৰত ৰাখি পানী বৈ যাবলৈ দিয়া নাছিল বৰং পানী শুকাই পেলাইছিল। ৰাতিপুৱা এখেত (ৰাঃ)য়ে ৰছুলুল্লাহ (ছাঃ)ৰ ওচৰত গৈ উপস্থিত হৈছিল আৰু সকলো ঘটনা কৈছিল। তেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে ওপৰ মহলাত থাকিবলৈ সন্মতি প্ৰকাশ কৰিছিল। হজৰত আবু আউয়ুব আনছাৰী (ৰাঃ)য়ে নবী কৰীম (ছাঃ)ৰ নিমিত্তে আহাৰ আদিৰ ব্যৱস্থা কৰিছিল;এনেকি নিজে ৰান্ধি-বাঢ়ি দিছিল। আনহাতে যেতিয়া ৰছুলুল্লাহ (ছাঃ)ক খুৱাই-বুৱাই ৰাহি হোৱা খাদ্য ঘূৰাই লৈ আনিছিল। এখেত (ৰাঃ)য়ে সেয়া সেই ফালেৰে খাবলৈ লৈছিল; যি ফালেৰে ৰছুলুল্লাহ (ছাঃ)য়ে খাইছিল। এবাৰ এখেত (ৰাঃ)য়ে আঁ-হজৰত (ছাঃ)ৰ নিমিত্তে খাদ্য বনাইছিল; য'ত নহৰু ব্যৱহাৰ কৰিছিল; আঁ-হজৰত (ছাঃ)য়ে সেই খাদ্য খোৱা নাছিল; তেতিয়া হজৰত আবু আয়উব আনছাৰী (ৰাঃ)য়ে বৰ ভয় খাইছিল আৰু এখেতে আঁ-হজৰত (ছাঃ)ৰ ওচৰত ওপৰলৈ গৈছিল আৰু সুধিছিল যে নহৰু খোৱা হাৰাম নেকি ? নবী কৰীম (ছাঃ)য়ে কৈছিল নহয়, হাৰাম নহয়, আচলতে মই নহৰু খাবলৈ ভাল নাপাওঁ। তেতিয়া আবু আয়উব আনছাৰী (ৰাঃ)য়ে কৈছিল যি আপুনি অপছন্দ কৰে;মইয়ো সেয়া অপছন্দ কৰো। মছনদ আহমদ বিন হাম্বলৰ এটা ৰিৱায়তত পিয়াজৰ কথা উল্লেখ আছে। অৰ্থাৎ নহৰুৰ সলনি পিয়াজৰ বিষয়ে উল্লেখ আছে। আঁ-হজৰত (ছাঃ)য়ে কৈছিল-যে মই এয়া সেই ফিৰিস্তাৰ কাৰণে খাবলৈ অপছন্দ কৰো যি ফিৰিস্তা জন মোৰ ওচৰত আহে। কিন্তু তোমালোকে এয়া খাব পাৰা।

হজৰত আয়উব (ৰাঃ)য়ে ৰছুলুল্লাহ (ছাঃ)ৰ লগত বদৰৰ যুদ্ধ উহুদৰ যুদ্ধ,খন্দকৰ যুদ্ধ আদি কৰি সকলো যুদ্ধত

সহযোগ কৰাৰ সৌভাগ্য লাভ কৰিছিল; এবাৰ এখেত (ৰাঃ)য়ে আঁ-হজৰত (ছাঃ)ৰ তম্বুৰ বাহিৰত তৰোৱাল হাতত লৈ ৰাতি পহৰা দি আছিল; যেতিয়া আঁ-হজৰত (ছাঃ)য়ে সেয়া জানিব পাৰিছিল তেতিয়া তেখেত (ছাঃ)য়ে দোৱা কৰিছিল যে اللّٰهُمَّ احْفَظْ اَبَا اَيُّوبَ كَمَا بَاتَ يَحْفُظُنِى। হে আল্লাহ ! আবু আয়উবক নিৰাপদ ৰাখা; যেনেকৈ তেওঁ গোটেই ৰাতি মোৰ ৰক্ষণা-বেক্ষণত পাৰ কৰিছে।

হজৰত ছঈদ বিন মুছায়েব (ৰাঃ)য়ে ৰছুলে কৰীম (ছাঃ)ৰ দাড়ি মোবাৰকত শুকান ঘাঁহৰ টুকুৰা লাগি থকা দেখা পাই সেয়া আঁতৰাই দিছিল। তেতিয়া নবী কৰীম (ছাঃ)য়ে কৈছিল যে আল্লাহ তা'লা আবু আয়উব আনছাৰীৰ পৰা সেই বস্তু দূৰ কৰি দিয়ক; যি তেওঁ অপছন্দ কৰে। তেখেত (ছাঃ)য়ে কৈছিল- হে আবু আয়উব তুমি যেন দুঃখ নোপোৱা।

আন এটা ৰিৱায়তত আছে যে হজৰত আবু আয়উব আনছাৰী (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে মই ৰছুলুল্লাহ (ছাঃ)ক কওঁতে শুনিছো যে যিজনে মা আৰু তাৰ পুত্ৰৰ মাজত পৃথকতা সৃষ্টি কৰে আল্লাহ তা'লা তাৰ আৰু তাৰ আত্মীয় স্বজনৰ মাজত কিয়ামতৰ দিনা পৃথকতা আনি দিব।

হজৰত মুৰছিদ বিন আব্দুল্লাহ বৰ্ণনা কৰিছে যে হজৰত আবু আয়উব আনছাৰী (ৰাঃ)য়ে কৈছে যে ৰছুলে কৰীম (ছাঃ)য়ে কৈছে যে মোৰ উম্মত সেই সময়লৈকে কল্যাণ মণ্ডিত থাকিব নাইবা এয়া কৈছে যে যেতিয়ালৈকে এই অভ্যাস অটুট ৰাখিব যে তেওঁলোকে মগৰিবত দেৰি নকৰিব। অৰ্থাৎ আগতে সময় মতে মগৰিবৰ নমাজ পঢ়ি লোৱা উচিত। আবু ওৱাচিলৰ পৰা বৰ্ণিত আছে যে তেওঁ হজৰত আবু আয়উব আনছাৰী (ৰাঃ)ৰ লগত দেখা কৰিছিল তেখেত (ৰাঃ)য়ে এওঁক মুচাফা কৰিছিল আৰু দেখিছিল যে এওঁৰ নখবোৰ বহুত দীঘল হৈ গৈছে তেতিয়া আয়উব আনছাৰী (ৰাঃ)য়ে কৈছিল যে ৰছুলুল্লাহ (ছাঃ)য়ে কৈছে- তোমালোকৰ কোনোবাই আকাশৰ সম্ভেদ সম্পৰ্কে প্ৰশ্ন কৰে আৰু তেওঁ নিজৰ নখ এনেকুৱা দীঘলকৈ ৰাখে যেনেকুৱা চৰাইৰ নখ থাকে। সেইবোৰত দুৰ্গন্ধ,লেতেৰা ময়লা জমা হৈ যায়। গতিকে নখবোৰ চুটিকৈ ৰাখিবা অৰ্থাৎ কাটি ৰাখিবা।

হজৰত আবু আয়উব আনছাৰী (ৰাঃ)ৰ জ্ঞানৰ গভীৰতা ইমানেই প্ৰসিদ্ধ আছিল যে চাহাবা সকলে নিজে এখেত (ৰাঃ)ৰ পৰা মছায়েল আদি সমস্যাৰ সমিধান বিচাৰিছিল। যেতিয়া এখেত (ৰাঃ)ৰ মৃত্যুৰ সময় ঘনাই আহিছিল। তেতিয়া এখেতে লোকক কৈছিল যে মই তোমালোকক এটা হাদীছ বৰ্ণনা কৰিম যি মই ৰছুলুল্লাহ (ছাঃ)ৰ পৰা শুনিছো। যদি মোৰ মৃত্যুৰ সময় ওচৰ চাপি নাহিলেহেঁতেন তেন্তে মই এয়া বৰ্ণনা নকৰিলো হয়; মই ৰছুলুল্লাহ (ছাঃ)ৰ পৰা শুনিছো যে যিজনে এনেকুৱা অৱস্থাত মৰিছে যে তেওঁ আল্লাহৰ সৈতে কাকো অংশীদাৰ পতা নাই, তেন্তে তেওঁ জান্নাতত প্ৰৱেশ কৰিছে।

হজৰত আবু আয়উব আনছাৰী (ৰাঃ)য়ে বদৰৰ যুদ্ধত অংশ গ্ৰহণ কৰিছিল। এখেত (ৰাঃ)য়ে মুছলমান সকলৰ কোনো যুদ্ধতেই পিছুৱাই থকা নাছিল। যদি একে সময়তে দুটা ভিন্ন যুদ্ধ সংগঠিত হৈছিল তেন্তে এখেতে কোনো নহয় কোনো এটা যুদ্ধত অৱশ্যেই অংশ গ্ৰহণ কৰিছিল। এখন যুদ্ধত গৈ হজৰত আবু আয়উব (ৰাঃ)য়ে বেমাৰত পৰিছিল। তেতিয়া ইয়াজিদ বিন মুৱাবিয়া সৈন্য সকলৰ আমিৰ আছিল; তেওঁ এখেত (ৰাঃ)ৰ ওচৰত আহি সুধিছিল যে আপোনাৰ কিবা বস্তুৰ প্ৰয়োজন আছে যদি কওঁক। এখেত (ৰাঃ)য়ে কৈছিল যে মোৰ প্ৰয়োজন হ'ল এয়া যে মই যেতিয়া মৃত্যু বৰণ কৰিম তেতিয়া মোক বহন কৰি যিমান দূৰ সম্ভৱ শত্ৰু সকলৰ দেশৰ ভিতৰলৈ লৈ যাবা আৰু তাতেই দফন কৰিবা আৰু তোমালোকে তাৰ পৰা ঘূৰি আহিবা। যেতিয়া হজৰত আবু আয়উব আনছাৰী (ৰাঃ)ক বহন কৰি লৈ গৈছিল আৰু যিমানদুৰ সম্ভৱ হৈছিল শত্ৰু দেশৰ ভিতৰলৈ নি তাতে দফন কৰি উভতি আহিছিল।

হজৰত আবু আয়উব আনছাৰী (ৰাঃ) আঁ-হজৰত (ছাঃ)ৰ মৃত্যুৰ পিছতও নিজৰ মৃত্যুৰ সময়লৈকে জিহাদত লাগি থাকিছিল। এটা ৰিৱায়তত উল্লেখ আছে যে ৫২ হিজৰীত কাছতানতানিয়াৰ যুদ্ধত হজৰত আবু আয়উব (ৰাঃ)ৰ মৃত্যু হৈছিল। ইয়াজিদ বিন মুৱাবিয়া এখেত (ৰাঃ)ৰ নামজে জানাজা পঢ়াইছিল। হজৰত আবু আয়উব আনছাৰী (ৰাঃ)ৰ মজাৰ তুৰ্কীৰ এখন চহৰ আস্তাম্বুলত অৱস্থিত আছে। তুৰ্কীৰ বেছি ভাগ লোকেই নিজৰ আত্মাৰ প্ৰশান্তিৰ নিমিত্তে কবৰ জিয়াৰত কৰিবলৈ তাত গৈ উপস্থিত হয়।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এতিয়া বদৰি চাহাবা সকলৰ বিষয়ে দিয়া বৰ্ণনাৰ অন্ত পৰিল। কিন্তু চাৰিজন খলিফা সম্পৰ্কে ইনশা আল্লাহ তা'লা বৰ্ণনা কৰা হ'ব। এনেদৰে প্ৰথম অৱস্থাত কিছুমান চাহাবৰ বিষয়ে অতি চমুকৈ বৰ্ণনা  দিয়া হৈছে; যদি তেখেত সকলৰ বিষয়ে অতি চমুকৈ বৰ্ণনা দিয়া হৈছে;যদি তেখেত সকলৰ বিষয়ে আৰু কোনো কথা পোহৰলৈ আহে তেন্তে সেয়া বৰ্ণনা কৰা হ'ব।

ইয়াৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে মকৰম আব্দুল হাই মণ্ডল আৰু মকৰম ছিৰাজুল ইছলাম চাহাব (মুৱাল্লিম ছিলছিলা) ভাৰত। হজৰত মছীহ মাওউদ (আঃ)ৰ নাতিয়েক মকৰম শ্বাহিদ আহমদ খান পাশা চাহাবা ইবনে হজৰত নৱাব আমতুল হাফিজ  বেগম চাহিবা (ৰাঃ) আৰু মকৰম ছৈয়দ মাছুদ আহমদ শ্বাহ চাহাব (বৃটেইন)ৰ আত্মাৰ সদগতি কামনা কৰি পৱিত্ৰ গুনাৱলীৰ চমু বৰ্ণনা দিয়ে আৰু নমাজে জুমাৰ পিছত মৰহুমিন সকলৰ নমাজে জানাজা গায়েব পঢ়া হ'ব বুলি ঘোষণা কৰে। ইন্না লিল্লাহি ওৱা ইন্না ইলাইহি ৰাজিউন।

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَن یَّھْدِہِ اللّٰہُ فَلَا مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلَا ھَادِیَ لَہٗ وَنَشْھَدُ أَنْ لَّا اِلٰہَ اِلَّا اللّٰہُ وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ. عِبَادَ اللّٰہِ رحمکم اللّٰہ اِنَّ اللّٰہَ یَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ۔

**KHULASA KHUTBA JUMA HUZOOR ANWAR (aba) 20 NOVEMBER 2020**

# BOOK POST (PRINTED MATTER)

TO,

..................................................................................................................

..................................................................................................................

..................................................................................................................

..................................................................................................................

..................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**